REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 9-10-2023
Time : 1845 Hrs.

**ASSAMESE EVENING BULLETIN**

**Headlines**

১। দেশৰ নিৰ্বাচন আয়োগৰ পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা। ৭ নৱেম্বৰত মিজোৰাম আৰু ছট্টিশগড়ৰ প্ৰথম পৰ্যায়ৰ, ১৭ নৱেম্বৰত মধ্যপ্ৰদেশ আৰু ছট্টিছগড়ৰ দ্বিতীয় পৰ্যায়ৰ, ২৩ নৱেম্বৰ ৰাজস্থানত আৰু ৩০ নৱেম্বৰত তেলেংগনাত ভোটগ্ৰহণ।

২। কেবিনেট সচিব ৰাজীৱ গৌবাৰ অধ্যক্ষতাত গঠিত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সমিতিৰ ছিকিমৰ পৰিস্থিতিৰ পৰ্যালোচনা। ৰাজ্যখন আৱদ্ধ অসমৰ ১৪০ গৰাকী শিক্ষাৰ্থী সুকলমে গুৱাহাটীত উপস্থিত।

৩। অসম মাধ্যমিক শিক্ষা পৰিষদৰ ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময় সূচী ঘোষণা।

৪। আমেৰিকাৰ অধ্যাপক ক্লডিয়া গল্ডিনলৈ ২০২৩ বৰ্ষৰ অৰ্থনীতিৰ ন'বেল পুৰস্কাৰ।

*আৰু*

৫। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত অনুষ্ঠিত খেলত নিউজিলেণ্ডৰ নেডাৰলেণ্ডছক জয়ৰ বাবে ৩২৩ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে আজি পাঁচখন ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিছে। এই অনুসৰি মিজোৰাম আৰু ছট্টিশগড় বিধানসভাৰ প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ৭ নৱেম্বৰত, ছট্টিশগড়ৰ দ্বিতীয় পৰ্যায়ৰ আৰু মধ্যপ্ৰদেশৰ নিৰ্বাচন ১৭ নৱেম্বৰত অনুষ্ঠিত হ'ব। একেদৰে ৰাজস্থানত ২৩ নৱেম্বৰত আৰু তেলেংগনাত ৩০ নৱেম্বৰত নিৰ্বাচন অনুষ্ঠিত হ'ব। অহা ৩ ডিচেম্বৰত আটাইকেইখন ৰাজ্যৰ নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নতুন দিল্লীত আজি সাংবাদিকৰ আগত মুখ্য নিৰ্বাচনী আয়ুক্ত ৰাজীৱ কুমাৰে কয় যে, ২০২৪ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে চূড়ান্ত বিধানসভা নিৰ্বাচন হিচাপে এই পাঁচখন ৰাজ্যৰ নিৰ্বাচনে বিশেষ তাৎপৰ্য বহন কৰিছে। আয়োগে এই ৰাজ্যকেইখনত মুক্ত, নিকা আৰু প্ৰৰোচনামুক্ত নিৰ্বাচন নিশ্চিত কৰিব বুলি শ্ৰীকুমাৰে প্ৰকাশ কৰে। উল্লেখযোগ্য যে, এই পাঁচখন ৰাজ্যত প্ৰায় ১৬ কোটি ভোটদাতা আছে। ইয়াৰ ভিতৰত প্ৰায় ৬০ লাখ ভোটদাতাই প্ৰথমবাৰৰ বাবে ভোটদান কৰিব। নিৰ্বাচন আয়োগে এই পাঁচখন ৰাজ্য পৰিদৰ্শন কৰি মুখ্য কাৰ্যবাহী বিষয়া, জিলা আৰু ৰাজ্যিক প্ৰশাসন তথা কেইবাটাও কেন্দ্ৰীয় আৰু ৰাজ্যিক প্ৰৱৰ্তন সংস্থাৰ সৈতে পৰ্যালোচনা বৈঠকত মিলিত হয়। এই ৰাজ্যকেইখনত ১৭ হাজাৰ ৭৩৪ টা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ থাকিব। আনহাতে, ৰাজ্যকেইখনৰ মুঠ ৬৭৯ টা বিধানসভা সমষ্টিৰ বাবে ১ লাখ ৭৭ হাজাৰ ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব আৰু ইয়াৰে ১ লাখ ভোটকেন্দ্ৰত ৱেবকাষ্টিঙৰ সুবিধা থাকিব। ভোটকেন্দ্ৰসমূহত ন্যূনতম সকলো সুবিধা উপলব্ধ হ'ব। মুখ্য নিৰ্বাচনী আয়ুক্তই জনোৱা মতে, মধ্য প্ৰদেশৰ জনজাতীয় লোকসকলৰ বাবে সংৰক্ষিত বনাঞ্চল এলেকাত ভোটকেন্দ্ৰ স্থাপন কৰা হ'ব। নিৰ্বাচনী প্ৰক্ৰিয়াত প্ৰায় ১৬ কোটি নিৰ্বাচনী বিষয়া-কৰ্মচাৰী নিয়োজিত কৰা হ'ব।

০০০০০০০

কেবিনেট সচিব ৰাজীৱ গৌবাৰ অধ্যক্ষতাত গঠিত ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা সমিতিয়ে আজি বানবিধ্বস্ত ছিকিমৰ পৰিস্থিতি পৰ্যালোচনা কৰে। দলটোৱে ৰাজ্যখনৰ মুখ্য সচিবৰ সৈতে বৈঠকত মিলিত হৈ বানৰ ফলত হোৱা ক্ষয়-ক্ষতিসমূহৰ সবিশেষ বুজ লয়। মুখ্য সচিবগৰাকীয়ে কয় যে ক্ষতিগ্ৰস্ত প্ৰায়বোৰ অঞ্চলতে পথ যোগাযোগ পুনৰ স্থাপন কৰা হৈছে। বতৰ ক্ৰমাৎ ফৰকাল হৈ অহাৰ লগে লগে আবদ্ধ লোকসকলক উদ্ধাৰ অভিযানো ৰূপায়ণ কৰি থকা হৈছে বুলি তেওঁ কয়। আজি পুৱাৰ ভাগত ৮০ জন লোকক উদ্ধাৰ কৰা হৈছে বুলি মুখ্যসচিবগৰাকীয়ে জানিবলৈ দিয়ে। ৰাজ্যখনত ২৮ টা আশ্ৰয় শিবিৰত ৮০০ গৰাকী লোকে আশ্ৰয় লৈ আছে আৰু তেওঁলোকক খাদ্য সামগ্ৰী, ঔষধ, ৰন্ধন গেছকে ধৰি অত্যাৱশ্যকীয় সামগ্ৰী যোগান ধৰা হৈছে বুলি সচিবগৰাকীয়ে কয়। এই বৈঠকত কেন্দ্ৰীয় গৃহ সচিব অজয় কুমাৰ ভাল্লাই কয় যে কেন্দ্ৰীয় চৰকাৰে ২৪ ঘণ্টাই পৰিস্থিতি নিৰীক্ষণ কৰি আছে আৰু আন্তঃমন্ত্ৰালয় দলটো ইতিমধ্যে ৰাজ্যখনত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰিছে। ইফালে, সেনা প্ৰধান জেনেৰেল মনোজ পাণ্ডেই আজি ছিকিমৰ দুৰ্যোগ ক্ষতিগ্ৰস্ত অঞ্চল পৰিদৰ্শন কৰি পৰিস্থিতি পৰ্যালোচনা কৰে। তেওঁ মুখ্যমন্ত্ৰী প্ৰেমসিং টামাঙক সাক্ষাৎ কৰি সাহায্য অভিযানত সেনা বাহিনীয়ে সকলো ধৰণে সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। তেওঁ ৰাজ্যখনৰ অগ্ৰগামী এলেকাত নিয়োজিত সৈন্যসকলৰ সৈতে মত বিনিময় কৰে।

আনহাতে, মুখ্যমন্ত্ৰী শ্ৰী টামাঙে আজি বান ক্ষতিগ্ৰস্ত ছিৰৱানী ভ্ৰমণ কৰে। উল্লেখযোগ্য যে ছিকিমৰ বানত মৃত্যু হোৱা লোকৰ সংখ্যা ৩৪লৈ বৃদ্ধি পাইছে। ইয়াৰ ভিতৰত ১০ জন সেনা জোৱানো আছে। ৰাজ্যখনৰ দুৰ্যোগ ব্যৱস্থাপনা পৰিষদে জনোৱামতে এতিয়ালৈকে ১০৫ জন লোক সন্ধানহীন হৈ আছে। আনহাতে, বৰ্তমানলৈকে বানত আৱদ্ধ হৈ পৰা দুহেজাৰ ৫৬৩ জন লোকক উদ্ধাৰ কৰা হৈছে আৰু ৬ হাজাৰ ৮৪৭ জন লোকে ২৮ টা সাহায্য শিবিৰত আশ্ৰয় গ্ৰহণ কৰিছে। তিস্তা নদীৰ অৱবাহিকাত বানে ১৪ খন দলং উটুৱাই নিয়াৰ লগতে বানৰ ফলত ৰাজ্যখনৰ ১ হাজাৰ ৩৮১টা গৃহ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে। ভাৰতীয় সেনাৰ ত্ৰিশক্তি বাহিনীয়ে সন্ধানহীন লোকসকলৰ উদ্ধাৰ অভিযান অব্যাহত ৰাখিছে। বাহিনীটোৱে লগতে উত্তৰ ছিকিমৰ লাচেন, লাচুং, থাংগু আৰু চুংথাঙৰ বিভিন্ন অঞ্চলত আৱদ্ধ হৈ ৰোৱা এহেজাৰ ৭০০ গৰাকী পৰ্যটকলৈ সাহায্য আগবঢ়াইছে। পৰ্যটকসকলক খাদ্য, চিকিৎসা আৰু যোগাযোগৰ সুবিধা প্ৰদান কৰা হৈছে। সেনা বাহিনীয়ে পৰ্যটকসকলক সুৰক্ষিত স্থানলৈ স্থানান্তৰ নকৰা পৰ্যন্ত নিৰাপদে ৰাখিবলৈ সকলোধৰণৰ প্ৰচেষ্টা চলাইছে। গৃহ মন্ত্ৰালয়ৰ অধীনৰ আন্তঃমন্ত্ৰালয় কেন্দ্ৰীয় দলে ৰাজ্যখনত এই প্ৰাকৃতিক দুৰ্যোগৰ ক্ষয়-ক্ষতিৰ বুজ লৈছে।

ইফালে, ছিকিমত আবদ্ধ হৈ ৰোৱা অসমৰ ১২৪ গৰাকী শিক্ষাৰ্থী আজি সুকলমে গুৱাহাটীত উপস্থিত হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ উদ্যোগত তথা শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৰ বিশেষ তৎপৰতাত ৰাজ্যখনৰ বিভিন্ন অঞ্চলত অধ্যয়নৰত অসমৰ শিক্ষাৰ্থীসকলক নিৰাপদে ঘূৰাই অনা হয়। শিক্ষামন্ত্ৰীয়ে গুৱাহাটীৰ এখন হোটেলত শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে।

০০০০০০০

অসম মাধ্যমিক শিক্ষা পৰিষদে ২০২৪ বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সময় সূচী ঘোষণা কৰিছে। পৰিষদে প্ৰকাশ কৰা সময় সূচী অনুসৰি অহা ১৬ ফেব্ৰুৱাৰীৰ পৰা ৪ মাৰ্চলৈকে এই পৰীক্ষা অনুষ্ঠিত হ'ব। অৱশ্যে মূল পৰীক্ষাৰ পূৰ্বে পৰিষদে অহা ২ আৰু ৩ ফেব্ৰুৱাৰীত ব্যৱহাৰিক পৰীক্ষাসমূহ অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে পৰিষদে ইতিমধ্যে ঘোষণা কৰা অনুসৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাত প্ৰথমবাৰৰ

বাবে অ' এম আৰ ছীট ব্যৱহাৰ কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক বস্তুধৰ্মী প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। ইংৰাজী, সাধাৰণ গণিত, সাধাৰণ বিজ্ঞান আৰু সমাজ বিজ্ঞান বিষয়কেইটাৰ ক্ষেত্ৰত মুঠ ৫০ শতাংশকৈ বস্তুধৰ্মী প্ৰশ্ন থাকিব। একোটা প্ৰশ্নৰ বিপৰীতে এক নম্বৰকৈ থাকিব আৰু এগৰাকী পৰীক্ষাৰ্থীক এখন অ' এম আৰ ছীট প্ৰদান কৰা হ'ব। বাকী ৫০ শতাংশ প্ৰশ্নৰ উত্তৰ কৰাৰ বাবে শিক্ষাৰ্থীসকলক ১৬ পৃষ্ঠাৰ উত্তৰবহী প্ৰদান কৰা হ'ব। ইফালে ২০২৪ বৰ্ষৰ হাইস্কুল শিক্ষান্তত অৱতীৰ্ণ হ'বলগীয়া পৰীক্ষাৰ্থীসকলৰ বাবে আজিৰে পৰা অলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। এই সন্দৰ্ভত পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি অহা ৩১ অক্টোবৰলৈকে অনলাইন প্ৰ-পত্ৰ পূৰণৰ প্ৰক্ৰিয়া চলি থাকিব।

০০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে ঐতিহাসিক চৰাইদেউ মৈদামস্থলীত উপস্থিত হোৱা ইউনেস্ক'ৰ পৰ্যবেক্ষক লীম-চিং-চিয়াঙে আজি পুৱা মৈদামস্থলীৰ ঐতিহাসিক সমলসমূহ পৰিদৰ্শন কৰে। তেওঁ স্থানীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু জনসাধাৰণৰ সৈতেও মত বিনিময় কৰে। আজি নিশাটো ডিব্ৰুগড়ত কটাই তেওঁ ছিংগাপুৰ অভিমুখে যাত্ৰা কৰিব। শনিবাৰে চৰাইদেউ মৈদামত উপস্থিত হোৱা চিয়াঙে মৈদামস্থলীৰ প্ৰত্নতত্ব সঞ্চালকালয় আৰু কেন্দ্ৰীয় পুৰাতত্ব বিভাগৰ অধীনত থকা মৈদামস্থলীৰ সকলো দিশ সামৰি পৰ্যবেক্ষণ কৰে। কালি সন্ধিয়া তেওঁ চলাপথাৰ শ্যাম গাঁৱত আয়োজিত এটা কাৰ্যসূচীতো অংশ লয়। গাঁওখনৰ ৰাইজে বিশেষজ্ঞগৰাকীক আদৰণি জনাই বিহুনাচ, গীত-মাত আদি পৰিৱেশন কৰাৰ লগতে জনগোষ্ঠীয় আহাৰেৰে আপ্যায়ন কৰে। উল্লেখযোগ্য যে বিশেষজ্ঞগৰাকী এই মৈদাম সম্পৰ্কীয় প্ৰতিবেদনৰ ভিত্তিতেই চৰাইদেউ মৈদামে বিশ্ব ঐতিহ্যক্ষেত্ৰৰ স্বীকৃতি লাভ কৰাটো নিৰ্ভৰ কৰিব।

০০০০০০০

মেৰী মাটি মেৰা দেশ কাৰ্যসূচীৰ অধীনত ৰাজ্যখনত অমৃত কলহ যাত্ৰাৰ বিভিন্ন অনুষ্ঠান অব্যাহত আছে। নগাঁও জিলাৰ খাগৰিজান খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অমৃত কলহ যাত্ৰাৰ এটা অনুষ্ঠানত ৰাজ্যৰ জলসম্পদ আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকাই বিভিন্ন স্থানৰ পৰা সংগৃহীত মাটিখিনি সংমিশ্ৰণ কৰে। অনুষ্ঠানত বিধায়ক ৰূপক শৰ্মা, শশীকান্ত দাস, জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহকে ধৰি বিভিন্ন ব্যক্তি উপস্থিত আছিল। মৰিগাঁও জিলাৰ লাহৰিঘাট উন্নয়ন খণ্ডৰ অমৃত কলহ যাত্ৰাৰ কাৰ্যসূচী সম্পন্ন হয়। এই উপলক্ষে লাহৰিঘাট চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ পৰা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়লৈ উলিওৱা এটা শোভাযাত্ৰাত জিলা আয়ুক্ত, আৰক্ষী অধীক্ষক প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল অংশগ্ৰহণ কৰে।

ধুবুৰী জিলাৰ বিলাসী পাৰা মহকুমাৰ চাপৰ শালকোচা খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত বিভিন্ন পঞ্চায়তৰ পৰা অনা অমৃত কলহবোৰৰ মাটি সংমিশ্ৰণ কৰা হয়। এই অনুষ্ঠানত অসম ৰাজ্যিক বিপনন নিগমৰ অধ্যক্ষ অশোক কুমাৰ সিংহী, জিলা আয়ুক্তকে ধৰি বহু ব্যক্তি উপস্থিত থাকে।

বৰপেটা জিলাত অমৃত কলহ যাত্ৰাৰ খণ্ড উন্নয়ন পৰ্যায়ৰ কাৰ্যসূচী আজি বৰপেটা, ৰূপসী আৰু পকা বেটবাৰী উন্নয়ন খণ্ড কাৰ্যালয়ত অনুষ্ঠিত হয়। এই কাৰ্যসূচীত উন্নয়ন খণ্ডকেইটাত গাঁও পঞ্চায়তৰ পৰা অনা মাটি মিহলাই দুটাকৈ কলহত ভৰোৱা হয়। এই মাটি গুৱাহাটীলৈ প্ৰেৰণ কৰা হ'ব।

ধেমাজি জিলাৰ ধেমাজি উন্নয়ন খণ্ডই আজি আত্মসহায়ক গোটক লৈ জিলা সদৰত অমৃত কলহ যাত্ৰাৰ এটা শোভাযাত্ৰা উলিয়ায়। এই যাত্ৰাত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, সাংসদ প্ৰদান বৰুৱাকে ধৰি বহু লোকে অংশগ্ৰহণ কৰে।

০০০০০০০

আমেৰিকাৰ অধ্যাপক ক্ল’ডিয়া গল্ডিনলৈ ২০২৩ বৰ্ষৰ অৰ্থনীতিৰ ন’বেল পুৰস্কাৰ আগবঢ়োৱা হৈছে। শ্ৰম বজাৰত মহিলাৰ অৱদান বিষয়ক সৰ্বাত্মক গৱেষণাৰ বাবে অধ্যাপকগৰাকীয়ে এই পুৰস্কাৰ লাভ কৰিছে। ৰয়েল ছুইডিছ্ একাডেমী অব্ চায়েন্সেছে এই বিষয়ে ঘোষণা কৰি কয় যে শ্ৰম বজাৰত মহিলাসকলৰ অংশগ্ৰহণ প্ৰতিফলিত কৰি কৰা গৱেষণাৰ বাবে অধ্যাপকগৰাকীয়ে অৰ্থবিজ্ঞানৰ ন’বেল পুৰস্কাৰ লাভ কৰিছে।

০০০০০০০

ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ ছিকিম কেন্দ্ৰৰ উদ্যোগত যোৱা ২০ ছেপ্তেম্বৰৰ পৰা মাজুলীৰ উত্তৰ-কমলাবাৰী সত্ৰৰ শংকৰদেৱ কৃষ্টি সংঘৰ সহযোগত অনুষ্ঠিত ২০ দিনীয়া কৰ্মশালাৰ আজি সামৰণি পৰে। উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ শিল্পীসকলে প্ৰশিক্ষণ প্ৰদান কৰা এই কৰ্মশালাত উত্তৰ প্ৰদেশ, পশ্চিমবংগ, বিহাৰ, হাৰিয়ানা, মহাৰাষ্ট্ৰ, হিমাচল প্ৰদেশ, অৰুণাচল প্ৰদেশৰ লগতে ৰাজ্যখনৰ বিভিন্ন জিলাৰ ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন সত্ৰীয়া কৃষ্টিৰ সমল সম্পৰ্কত প্ৰশিক্ষণ গ্ৰহণ কৰে। শ্ৰীমন্ত শংকৰদেৱৰ অমৰ সৃষ্টি  অংকীয়া নাট ৰামবিজয়, সত্ৰীয়া নৃত্য, বৰগীত, মুখাশিল্প, সচিত্ৰ ভাগৱতৰ আৰ্হিত চিত্ৰকলা, ৰূপসজ্জা আদি সন্দৰ্ভত কৰ্মশালাত প্ৰশিক্ষণ দিয়া হয়। আজি সন্ধিয়া সত্ৰৰ নৱ-নিৰ্মিত সাংস্কৃতিক ভৱনত প্ৰশিক্ষাৰ্থীসকলে ৰামবিজয় নাট পৰিৱেশন কৰিব।

০০০০০০০

ৰাজ্যৰ জলসিঞ্চন মন্ত্ৰী অশোক সিংহলে আজি গোলাঘাট জিলাত ৫খন নতুন জলসিঞ্চন আঁচনিৰ অধাশিলাৰ স্থাপন কৰে। মুঠ ৪২ কোটি টকা ব্যয় সাপেক্ষ এই আঁচনি কেইখনে এহেজাৰ ৯০ হেক্টৰ কৃষি ভূমি জলসিঞ্চনৰ ব্যৱস্থা কৰাৰ লগতে সহস্ৰাধিক কৃষক উপকৃত হ’ব। মন্ত্ৰীগৰাকীয়ে লগতে গোলাঘাট পৌৰ সভাৰ উদ্যোগত আৰু স্বচ্ছ ভাৰত অভিযানৰ সহযোগিতাত আয়োজিত অনুষ্ঠানত চাফাই কৰ্মীসকলৰ মাজত পোছক বিতৰণ কৰাৰ লগতে পি এম স্বনিধিৰ অধীনত হিতাধীকাৰীসকলক ঋণৰ অনুমোদন পত্ৰ প্ৰদান কৰে। তেওঁ লগতে গোলাঘাট আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত আয়োজিত এখন পৰ্যালোচনা বৈঠকত জলসিঞ্চন বিভাগ আৰু গোলাঘাট পৌৰ সভাৰ বিভিন্ন নগৰ উন্নয়নমূলক পদক্ষেপৰ অগ্ৰগতি আৰু জিলাখনত জলসিঞ্চন আঁচনিসমূহ ৰূপায়ণৰ বিষয়ে বুজ লয়। এই বৈঠকত নগৰ আৰু গাঁও পৰিকল্পনা সঞ্চালকালয় আৰু  গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ কাৰিকৰী কোষৰ বিষয়েও আলোচনা কৰা হয়। এই কাৰ্যসূচী কেইটাত বিত্তমন্ত্ৰী অজন্তা নেওগ, সাংসদ কামাখ্যা প্ৰসাদ টাচা, বিধায়ক বিশ্বজিৎ ফুকনো উপস্থিত আছিল।

০০০০০০০

ধেমাজি জিলা কৃষি বিভাগে জিলাখনৰ কৃষি ক্ষেত্ৰ উন্নয়নৰ বাবে বিভিন্ন কৃষি উপযোগী যন্ত্ৰ বিতৰণ কৰে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱাই জিলাখনৰ কৃষকসকলক বছৰত তিনিটাকৈ খেতি কৰাৰ পৰামৰ্শ দিয়ে। ইফালে প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত মাজুলী জিলা কৃষি বিভাগৰ উদ্যোগত আজি জিলাখনৰ কৃষকসকলৰ মাজত ২০২৩-২৪ বৰ্ষৰ বাবে ৰবি শস্যৰ বীজ আৰু কৃষি কাৰ্যৰ সৈতে জড়িত সা-সঁজুলী বিতৰণৰ এটা কাৰ্যসূচী অনুষ্ঠিত হয়। কাৰ্যসূচীত বিধায়ক ভূবন গামৰ লগতে জিলাখনৰ কৃষি বিভাগৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

চিৰাং জিলাৰ বিজনী মহাবিদ্যালয়ত আজিৰেপৰা দুদিনীয়াকৈ এখন আন্তঃৰাষ্ট্ৰীয় আলোচনাচক্ৰ অনুষ্ঠিত হৈছে। বিজনী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ উদ্যোগত আৰু বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ সহযোগত উত্তৰ ঔপনিৱেশিক সাহিত্য আৰু ইয়াৰ সম্ভাৱনা শীৰ্ষক আলোচনাচক্ৰখন বিধায়ক অজয় কুমাৰ ৰায়ে উদ্বোধন কৰে। এই কাৰ্যসূচীত প’লেণ্ডৰ জিজ’ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° পেট্ৰেকজা অষ্টেন আৰু

ড° লুকাচজ বাৰ্ছিনস্কীয়েও অংশগ্ৰহণ কৰে। এই আলোচনাচক্ৰত গৱেষণাপত্ৰ পাঠ কৰাৰ বাবে ১০৬গৰাকী লোকে নাম পঞ্জীয়ন কৰাৰ বিপৰীতে ৭৭ খন গৱেষণাপত্ৰ দাখিল কৰা হৈছে।

০০০০০০০

সমগ্ৰ দেশৰ লগতে শোণিতপুৰ জিলাতো আই এম আই ফাইভ পইণ্ট জিৰ' অভিযানৰ অধীনত জন্মৰ পৰা পাঁচ বছৰ বয়স পৰ্যন্ত সকলো শিশুৰ সম্পূৰ্ণ টিকাকৰণ সুনিশ্চিত কৰা হৈছে। এই অভিযানৰ প্ৰথম আৰু দ্বিতীয় পৰ্যায় ইতিমধ্যে সম্পূৰ্ণ হৈছে আৰু তৃতীয় পৰ্যায় আজিৰে পৰা ১৪ অক্টোবৰলৈকে ৰূপায়ণ কৰা হ'ব। শিশুৰ ১২ বিধ মাৰাত্মক ৰোগৰ প্ৰতিষেধকৰ লগতে দুটাকৈ প্ৰতিষেধক বাদ পৰি যোৱা গৰ্ভৱতী মহিলাসকলক চিন্তাক্ত কৰি প্ৰতিষেধক প্ৰদানেৰে শিশুৰ কল্যাণৰ ওপৰত স্থায়ী ইতিবাচক প্ৰভাৱ পেলাবলৈ এই অভিযান হাতত লোৱা হৈছে। উল্লেখ যোগ্য যে শোণিতপুৰ জিলাৰ তেজপুৰ, বালিপাৰা, ৰঙাপাৰা, বিহগুড়ি আৰু ঢেকীয়াজুলীৰ বিভিন্ন স্বাস্থ্য কেন্দ্ৰত এই অভিযানৰ অধীনত টীকাকৰণ কৰা হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ বিয়লি নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত এছিয়ান গেমছত অংশগ্ৰহণ কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে মত বিনিময় কৰিব। চলিত বৰ্ষৰ এছিয়াডত ভাৰতীয় খেলুৱৈসকলৰ অভূতপূৰ্ব কৃতিত্বৰ বাবে তেওঁলোকক অভিনন্দন জনোৱাৰ লগতে ভৱিষ্যতৰ প্ৰতিযোগিতাসমূহৰ বাবে উৎসাহিত কৰাৰ প্ৰয়াসস্বৰূপে এই কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে এইবাৰৰ এছিয়ান গেমছত ভাৰতে ২৮ টা স্বৰ্ণসহ মুঠ ১০৭ টা পদক লাভ কৰিছে। পদকৰ সংখ্যাৰ ক্ষেত্ৰত এয়া ভাৰতৰ এছিয়ান গেমছত সৰ্বোত্তম প্ৰদৰ্শন। কাইলৈ এই মত বিনিময় অনুষ্ঠানত এছিয়াডত অংশ লোৱা ভাৰতীয় খেলুৱৈ, প্ৰশিক্ষক, ভাৰতীয় অলিম্পিক সংস্থাৰ বিষয়া, ৰাষ্ট্ৰীয় ক্ৰীড়া সংস্থাৰ প্ৰতিনিধিৰ লগতে যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ বিষয়াসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত অনুষ্ঠিত খেলত নিউজিলেণ্ডে নেডাৰলেণ্ডছক জয়ৰ বাবে ৩২৩ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। খেলৰ আৰম্ভনিত নিউজিলেণ্ডে বেট ধৰি নিৰ্ধাৰিত ৫০ অভাৰত ৭ উইকেটত ৩২২ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নেডাৰলেণ্ডছে বাতৰি যুগুতোৱা পৰলৈকে ৭ অভাৰত ১টা উইকেটৰ বিনিময়ত ২৫ ৰান সংগ্ৰহ কৰে।

০০০০০০০

সমাপ্ত